# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৭৩/২০২০

## ভিডিঅ’ কনফাৰেঞ্চৰ জৰিয়তে জিলা তথা মহকুমা তথ্য আৰু জনসংযোগ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাৰ মত-বিনিময়

## এই জটিল সময়ত উৎসৰ্গিত আৰু দায়বদ্ধ মনোভাৱেৰে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত ফলপ্ৰসূ পদক্ষেপ ল’বলৈ আহ্বান

**দিছপুৰ, ১৩ এপ্ৰিলঃ** মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে আজি ভিডিঅ’ কনফাৰেঞ্চ যোগে ৰাজ্যখনৰ বিভিন্ন জিলা তথা মহকুমা তথ্য আৰু জনসংযোগ বিষয়াসকলৰ সৈতে মত-বিনিময় কৰি সম্প্ৰতিক জটিল পৰিস্থিতিত তেওঁলোকে সম্পাদন কৰা কাম-কাজৰ খতিয়ান লয়। বিশ্ব মানৱলৈ অহা এই সংকটৰ সময়ত আৰু অধিক উৎসৰ্গিত আৰু দায়বদ্ধ মনোভাৱেৰে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত ফলপ্ৰসূ আৰু কাৰ্যকৰী পদক্ষেপ ল’বলৈ তেওঁ বিষয়াসকলক আহ্বান জনায়।

মিডিয়া উপদেষ্টাগৰাকীয়ে কয় যে এই জটিল সময়ত জনসম্পৰ্কৰক্ষী বিষয়াসকলৰ দায়িত্ব আৰু কৰ্তব্য অধিক। তেওঁলোকৰ এলেকাৰ স্থানীয় সংবাদদাতাসকলৰ লগতে মফচলীয় সাংবাদিকসকলৰ সৈতেও সু-সম্পৰ্ক স্থাপনেৰে জিলা বা মহকুমাৰ বা-বাতৰিসমূহ সচেতনতাৰে পৰিৱেশন কৰাৰ বাবেও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে নিৰ্দেশ দিয়ে। ছপা মাধ্যমৰ লগতে স্থানীয় কেব’ল চেনেলসমূহ আৰু ছ’চিয়েল মিডিয়াৰ জৰিয়তে ক’ভিড-১৯ সম্পৰ্কীয় জনসচেতনতাৰ পদক্ষেপ লোৱাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। উৰাবাতৰিৰ যোগেদি কোনেও যাতে সম্প্ৰদায়িক বিষবাষ্প বিয়পাই সমাজত অস্থিৰতাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰখাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। সংশ্লিষ্ট জিলা আৰু মহকুমা প্ৰশাসনৰ লগতে জিলাখনৰ দায়িত্বত থকা মন্ত্ৰীগৰাকীৰ সৈতে সঘনাই যোগাযোগ ৰক্ষা কৰি তেওঁলোকৰ দিহা-পৰামৰ্শমতে এই দিশত উচিত পদক্ষেপ গ্ৰহণৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। মিডিয়া উপদেষ্টাগৰাকীয়ে লগতে সংশ্লিষ্ট এলেকাৰ বুদ্ধিজীৱী, লেখক, সাহিত্যিক, চিন্তাবিদসকলৰ সৈতেও টেলিফোনযোগে মত-বিনিময় কৰি এই সম্পৰ্কীয় দিহা-পৰামৰ্শ গ্ৰহণৰ পদক্ষেপ ল’বলৈও বিষয়াসকলক পৰামৰ্শ আগবঢ়ায়।

তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক অনুপম চৌধুৰীয়ে আঁত ধৰা এই ভিডিঅ’ কনফাৰেঞ্চত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলে কৰ্ম সম্পাদনৰ দিশত পাই থকা সুবিধা আৰু অসুবিধাসমূহৰো বুজ লয়।

এই ভিডিঅ’ কনফাৰেঞ্চত উপস্থিত থকা তথ্য আৰু জনসংযোগ বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই সাম্প্ৰতিক সময়ত ক্ষেত্ৰীয় বিষয়াসকলে সম্পাদন কৰি থকা কাম-কাজৰ শলাগ লোৱাৰ উপৰি এই জটিল সময়ত আৰু দায়বদ্ধ তথা উৎসাৰ্গিত মনোভাবেৰে সেৱা আগবঢ়োৱাৰ বাবেও বিষয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ’ কনফাৰেঞ্চৰ জৰিয়তে মত-বিনিময় অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন জিলা আৰু মহকুমাৰ তথ্য আৰু জনসংযোগ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ / বঃভাঃ**
**১৩/৪/২০২০**